# **REGIONEL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনতে পূৰ্বে আলোচনা কৰা অনুসৰি ডিব্ৰুগড় বিমান বন্দৰটো ড° ভূপেন হাজৰিকা নামেৰে নামকৰণৰ প্ৰস্তাৱ গ্ৰহণৰ সম্ভাৱনা আছে। ভাৰতীয় সংবিধানৰ ১৭৪-এক নম্বৰ অনুচ্ছেদৰ অধীনত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই এই অধিৱেশনৰ আহ্বান জনাইছে। এই অনুসৰি সেইদিনা পুৱা চাৰে ৯ বজাৰ পৰা অধিৱেশনৰ কাম-কাজ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে অসম মন্ত্ৰীসভাৰ বৈঠকত বিশ্ববৰেণ্য শিল্পীগৰাকী শতবাৰ্ষিকী উদযাপন সন্দৰ্ভত সিদ্ধান্ত লোৱা হৈছিল। অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিল্পীগৰাকীৰ জন্ম শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক কৰা সাক্ষাতৰ সময়তো শতবাৰ্ষিকী অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত অৱগত কৰে।

000000000

কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চললৈ অবৈধ বাংলাদেশী আৰু ম্যানমাৰৰ ৰহিংগীয়া নাগৰিকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জনোৱা আহ্বানমৰ্মে ৰাজ্যখনত শেহতীয়াকৈ দুহেজাৰৰো অধিক বাংলাদেশী নাগৰিকক আটক কৰা হৈছে। অবৈধ অনুপ্ৰৱেশকাৰীৰ সকলো তথ্য এমাহৰ ভিতৰত চালি-জাৰি চোৱাৰ লগতে এই সময়ছোৱাত এই তথ্যসমূহ প্ৰমাণিত নহ'লে অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈও মন্ত্ৰ্যালয়ে নিৰ্দেশ দিছে। অসম আৰক্ষীয়ে এই নিৰ্দেশৰ পাছতে অভিযান তীব্ৰতৰ কৰি তোলে। মৰিগাঁও জিলাত কালি আৰক্ষীয়ে ৯ জন বাংলাদেশী লোকক গ্ৰেপ্তাৰ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি আৰক্ষীয়ে এই অভিযান অব্যাহত ৰাখি ভালেসংখ্যক সন্দেহজনক লোকৰ নথিপত্ৰ পৰীক্ষা কৰে। গুৱাহাটী মহানগৰ আৰক্ষীয়েও মহানগৰীখনৰ বিভিন্ন প্ৰান্তত যোৱা নিশাৰে পৰা অভিযান অব্যাহত ৰাখি ডেৰ শতাধিক সন্দেহজনক লোকক আটক কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে গুৱাহাটী আৰক্ষী আয়ুক্তালয়ৰ তিনিখন আৰক্ষী জিলাৰ তিনিওগৰাকী উপ-আৰক্ষী আয়ুক্তৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়াই সন্দেহজনক বুলি চিনাক্ত হোৱা লোকসকলৰ নথিসমূহ বিৰুবাৰী আৰক্ষী ছাউনীত পৰীক্ষা কৰে। একেদৰে গোলাঘাট জিলাৰ সীমান্ত আৰক্ষী আৰু মেৰাপানী আৰক্ষীয়ে কালি জিলাখনৰ মেৰাপানীৰ পৰা ছজন বাংলাদেশী নাগৰিকক আটক কৰে। এই লোককেইজনক যোৰহাটৰ বিদেশী ন্যায়াধীকৰণে বিদেশী বুলি ঘোষণা কৰিছিল। আটকাধীন লোককেইজনৰ ভিতৰত ৩ গৰাকী মহিলা আছে। মেৰাপানী আৰক্ষীয়ে আটাইকেইগৰাকীকে যোৰহাটস্থিত সীমান্ত কোষলৈ প্ৰেৰণ কৰিছে।

শিৱসাগৰ আৰক্ষীয়েও শনিবাৰে নিশা জিলাখনৰ বিভিন্ন প্ৰান্তত অভিযান চলাই ৭ গৰাকী সন্দেহজনক বাংলাদেশী নাগৰিকক আটক কৰে। আটকাধীন লোককেইজনৰ ভিতৰত দুগৰাকী মহিলাও আছে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত আনুষ্ঠানিকভাৱে কোনো তথ্য প্ৰকাশ কৰা নাই।

000000000

ধেমাজি বন সংমণ্ডলৰ নেতৃত্বত জোনাই আঞ্চলিক বন বিভাগে কালি গোপন সূত্ৰৰ পম খেদি এটা দুষ্প্ৰাপ্য বন ৰৌৰ ছালৰ সৈতে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে। জোনাই লাইমেকুৰীৰ ৰাষ্ট্ৰীয় ঘাই পথত অভিযান চলাই বন বিভাগৰ দলটোৱে ডেৰ কেজিতকৈও অধিক ওজনৰ বনৰৌ এটাৰ শুকান ছাল জব্দ কৰাৰ লগতে সৰবৰাহকাৰী তিনিজনক আটক কৰে। ইয়াৰে দুজনক পাছত বন বিভাগে গ্ৰেপ্তাৰ কৰি বন আইনৰ অধীনত এটা গোচৰ ৰুজু কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। ধৃত সৰবৰাহকাৰীকেইজনক জোনাইৰ দুই নম্বৰ পিপলগুৰি গাঁৱৰ আশীৰাম দলে আৰু লাইমেকুৰী গাঁৱৰ ধনে দলে বুলি চিনাক্ত কৰা হৈছে।

000000000

-তিনিচুকীয়া জিলাৰ ফিল'বাৰীৰ জ্যেষ্ঠ অধিবক্তা লীলা উপাধ্যায়ক অৰুণাচল প্ৰদেশৰ চাংলাং আৰু নামচাই জিলাৰ আদালতৰ গোচৰসমূহৰ প্ৰতিনিধিত্ব কৰিবলৈ চৰকাৰী পেনেল অধিবক্তা হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ জিলা দুখনৰ প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ, মুখ্য ন্যায়িক দণ্ডাধীশ, অতিৰিক্তি জিলা আৰু ছেচন ন্যায়াধীশ আৰু জিলা আৰু ছেচন ন্যায়াধীশৰ সন্মানীয় আদালতৰ গোচৰ সমূহৰ নিষ্পত্তি প্ৰক্ৰিয়াত ভাগ ল'ব। শ্ৰী উপাধ্যায় তিনিচুকীয়া উকীল সন্থাৰো সদস্য। দুটা দশকজোৰা আইনী অভিজ্ঞতাৰে পৰিপুষ্ট উপাধ্যায়ৰ এই নিযুক্তিয়ে তেওঁৰ আইনী দক্ষতা আৰু জনসেৱাৰ প্ৰতি থকা দায়ৱবদ্ধতাক প্ৰতিফলিত কৰিছে বুলি ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

000000000

বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ বাবে শাসক-বিৰোধী সকলো ৰাজনৈতিক দলেই নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে। অহা ছেপ্তেম্বৰত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টীয়ে কেবিনেট মন্ত্ৰী কৌশিক ৰায়ক চিৰাং জিলাৰ দায়িত্ব ন্যাস্ত কৰিছে। মন্ত্ৰীগৰাকীয়ে যোৱা দুদিনত জিলাখনৰ সাতটা পৰিষদীয় সমষ্টিত উপস্থিত হৈ দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। এই সময়ছোৱাত তেওঁ দলীয় কৰ্মকৰ্তাৰ সৈতেও বিভিন্ন আলোচনাত মিলিত হয়। ইপিনে বাক্সা জিলাৰ বৰবৰীত কালি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ইউ পি পি এলৰ এখন কৰ্মীসভাত অংশগ্ৰহণ কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে বিটিচি পৰিষদীয় সমষ্টিত ৪০ খন আসনত প্ৰাৰ্থীত্ব দিয়াৰ কথা ঘোষণা কৰিছে। সভাত ভাষণ দি প্ৰমোদ বড়োৱে ইউ পি পি এলৰ শাসন কালত বি টি চিত শান্তি ঘূৰি অহা বুলি উল্লেখ কৰি হাগ্ৰামা মহিলাৰী পুনৰ শাসনলৈ আহিলে বি টি চি পুনৰ অশান্ত হৈ পৰিব বুলি কয়।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত পাঞ্জাব কিংছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হোৱা এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে কলকাতা নাইট ৰাইডাৰ্ছক ১১০ ৰানত পৰাস্ত কৰে। ইপিনে, কালি অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছে গুজৰাট টাইটানছক ৮৩ ৰানত পৰাস্ত কৰে।

000000000

সমাপ্ত